# জাননী

ইয়াৰ দ্বাৰাই সমূহ ৰাইজক জনোৱা হল যে মাজুলীস্থিত গড়মুৰত, “অসম ইলেক্ট্ৰিচিটি গ্ৰীড কৰ্পৰেশন লিমিটেড”ৰ দ্বাৰা ১৩২/৩৩ কে.ভি. উপ-কেন্দ্ৰ এটি নিৰ্মান কৰি উলিওৱা হৈছে। উক্ত উপ-কেন্দ্ৰটো কাৰ্য্যক্ষম কৰি তুলিবৰ বাবে বৰ্তমান ৩৩,০০০ ভল্টত বিদ্যুৎ প্ৰবাহিত কৰি ৰখা নলকটা (উত্তৰ লখিমপুৰ) - গড়মুৰ (মাজুলী) লাইনটো উচ্চ ক্ষমতা সম্পন্ন বিদ্যুৎ টাৱাৰ লাইনেদি ১,৩২,০০০ ভল্টৰ বিদ্যুৎ এই জাননী জাৰি কৰাৰ পাছত যিকোনো সময়তে প্ৰবাহিত কৰা হব পাৰে।

গতিকে উক্ত লাইনৰ ওচৰত বসতি কৰা সমূহ ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা হল যাতে কোনো ব্যক্তিয়ে উচ্চ ক্ষমতা সম্পন্ন টাৱাৰত, বগোৱা, বাঁহ বা হাকুটিৰে স্পৰ্শ কৰা আদিৰ পৰা বিৰত থাকে যেন। অন্যথা আইন মতে জগৰীয়া হব। যদি কোনো লোকে এনে ধৰণৰ কাৰ্য্য কৰি দুৰ্ঘটনাত পতিত হয়, তাৰ বাবে “অসম ইলেক্ট্ৰিচিটি গ্ৰীড কৰ্পৰেশন লিমিটেড”ৰ (অ. ৰা. বি. প.) দায়ী নহব।

এই জাননীৰ জৰিয়তে সকলো ৰাইজক সতৰ্ক কৰা হল।

“অসম ইলেক্ট্ৰিচিটি গ্ৰীড কৰ্পৰেশন লিমিটেড”ৰ হৈ